**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-01-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভিডিঅ' কনফাৰেন্সিঙ ব্যৱস্থাৰ মাধ্যমেৰে অষ্টদশ ৰোজগাৰ মেলাত নতুনকৈ নিযুক্তি লাভ কৰা ৬১ হাজাৰতকৈও অধিক যুৱক-যুৱতিক নিযুক্তি পত্ৰ বিতৰণ কৰিব।

২। ¯ কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি ৰাজ্য মন্ত্ৰী জীতেন্দ্ৰ সিঙে ভাৰত সুযোগৰ ঐতিহাসিক গণতান্ত্ৰীকিকৰণৰ সাক্ষী হৈছে বুলি উল্লেখ কৰিছে।

৩। গোৱাত অহা ২৭ জানুৱাৰীৰ পৰা ৩০ জানুৱাৰীলৈকে ভাৰত শক্তি সপ্তাহৰ চতুৰ্থ সংস্কৰণ আৰম্ভ হ'ব।

৪। ছত্তিচগড়ৰ ধামদাৰী জিলাত আজি ৭ গৰাকী মহিলাকে ধৰি মুঠ ৯ জন মাওবাদীয়ে আত্মসমৰ্পণ কৰে।

আৰু

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত আৰম্ভ হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভিডিঅ' কনফাৰেন্সিঙ ব্যৱস্থাৰ মাধ্যমেৰে অষ্টদশ ৰোজগাৰ মেলাত বিভিন্ন চৰকাৰী বিভাগ আৰু প্ৰতিষ্ঠানৰ নতুনকৈ নিযুক্তি লাভ কৰা ৬১ হাজাৰতকৈও অধিক যুৱক-যুৱতিক নিযুক্তি পত্ৰ বিতৰণ কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি তেওঁ জনসভাকো সম্বোধন কৰিব। দেশৰ ৪৫টা স্থানত এই অষ্টদশ ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। গৃহ মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ লগতে বিত্তীয় সেৱা, উচ্চ শিক্ষা বিভাগকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগত যুৱক-যুৱতিসকলে নিযুক্তি লাভ কৰিছে। উল্লেখযোগ্য যে, নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত ৰোজগাৰ মেলা চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। সমগ্ৰ দেশতে এই মেলাৰ জৰিয়তে এতিয়ালৈ ১১ লাখতকৈও অধিক যুৱক-যুৱতিক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তামিলনাডুৰ জনসাধাৰণ এইবাৰ ৰাজ্যখনত চৰকাৰ পৰিৱৰ্তন কৰাৰ বাবে প্ৰস্তুত বুলি উল্লেখ কৰিছে। তেওঁ কয় যে ডি এম কে চৰকাৰে ৰাজ্যখনত বিকাশৰ দেশে আগুৱাই নিয়াত বিফল হৈছে। দলটোৱে কেৱল দূৰ্নীতি, অপৰাধ আৰু পৰিয়াল কেন্দ্ৰীক ৰাজনীতিৰ সৈতে ব্যস্ত থকা বুলি তেওঁ অভিযোগ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ডি এম কেৰ শাসনকালত দলটোৱে যুৱক-যুৱতি, কৃষক, মহিলাসকলৰ কল্যাণক আওকাণ কৰি অহাৰ লগতে তামিল সংস্কৃতিৰ প্ৰমূল্যকো অৱহেলা কৰি আহিছে।

তেওঁ অভিযোগ কৰে যে ৰাজ্যখনত মহিলাসকলো সুৰক্ষিত নহয়। প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰকাশ কৰে যে এন ডি এ চৰকাৰে যোৱা ১১ বছৰত তামিলনাডুৰ বিকাশৰ বাবে ১১ লাখ কোটি টকাৰ আবণ্টন দিছে। ইয়াৰে ভিতৰত ৰেল পৰিকল্পনা ৭ গুণ বৃদ্ধি, ৫০ হাজাৰ কিষাণ ক্ৰেডিট কাৰ্ড, ৬ কোটি মুদ্ৰা লোন আৰু প্ৰত্যক্ষ লাভ হস্তান্তৰ অন্যতম। দ্বৈত ইঞ্জিনৰ এই চৰকাৰখনৰ অধীনত ৰাজ্যখনত বিকাশৰ গতি অধিক ত্বৰান্বিত হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰি তেওঁ কয় যে, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ অধিক সহযোগিতাৰ ফলত ৰাজ্যখনত কল্যাণমূলক আঁচনিসমূহৰ ফলপ্ৰসু ৰূপায়ন হ'ব।

০০০০০০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি ৰাজ্য মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে আজি ভাৰতে সুযোগৰ ঐতিহাসিক গণতান্ত্ৰিকীকৰণৰ সাক্ষী হৈছে বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে ই এনে এটা পৰিস্থিতিতন্ত্ৰৰ সৃষ্টি কৰিছে য'ত যুৱপ্ৰজন্মই নিজৰ প্ৰকৃত প্ৰতিভা অন্বেষণ কৰাৰ লগতে নিজৰ পছন্দৰ পথ বাছি ল'ব পাৰে আৰু নিজৰ দক্ষতাক বহনক্ষম জীৱিকাৰ মাধ্যমলৈ ৰূপান্তৰিত কৰিব পাৰে।

নতুন দিল্লীত অনুষ্ঠিত 'ৰাষ্ট্ৰীয় দক্ষতা সন্মিলন ২০২৬'ত সম্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ যুৱপ্ৰজন্ম আজি পূৰ্বতকৈ অধিক সজাগ আৰু নতুন প্ৰজন্মৰ কথা প্ৰশিক্ষক তথা প্ৰতিষ্ঠানসমূহে শুনাৰ প্ৰয়োজনত তেওঁ গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে ডিগ্ৰী-কেন্দ্ৰিক বিকাশৰ পৰা দক্ষতা-কেন্দ্ৰিক বিকাশৰ দিশলৈ হোৱা পৰিৱৰ্তনৰ বিষয়ে আলোকপাত কৰি কয় যে 'এৰোমা মিছন' ৰ দৰে পদক্ষেপসমূহে হাজাৰ হাজাৰ যুৱক-যুৱতীক আনুষ্ঠানিক ডিগ্ৰী নোহোৱাকৈয়ে জীৱিকা উপাৰ্জনৰ বাবে সক্ষম কৰি তুলিছে।

যোৱা ১১ বছৰত সুযোগৰ গণতান্ত্ৰিকীকৰণৰ ফলত জনসাধাৰণৰ আশা-আকাংক্ষা অভূতপূৰ্বভাৱে বৃদ্ধি পোৱাৰ বিষয়ে মন্ত্ৰীগৰাকীয়ে উল্লেখকৰে। ড° সিঙে লগতে কয় যে দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ চহৰসমূহৰ মহিলা আৰু যুৱক-যুৱতীসকলে ভাৰতৰ বিকাশৰ ধাৰাটোক নতুনকৈ সংজ্ঞায়িত কৰিছে। মন্ত্ৰীগৰাকীয়ে ভাৰতত অপৰিসীম প্ৰতিভা আছে বুলি উল্লেখ কৰি পূৰ্বে অগ্ৰাধিকাৰ আৰু ৰাজনৈতিক সহযোগিতাৰ অভাৱ আছিল বুলি মন্তব্য কৰে।

০০০০০০০০০

পেঞ্চন আৰু পেঞ্চনাৰ কল্যাণ বিভাগে শেহতীয়াকৈ অনুষ্ঠিত পেঞ্চন আদালতত জ্যেষ্ঠ নাগৰিক আৰু পৰিয়াল পেঞ্চনাৰসকলৰ ৮১৫ টা ওজৰ আপত্তি নিষ্পত্তি কৰিছে। ব্যক্তিগত ৰাজহুৱা ওজৰ আপত্তি আৰু পেঞ্চন মন্ত্ৰালয়ে জনোৱা মতে প্ৰতিৰক্ষা, গৃহ পৰিক্ৰমা, বিত্ত, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা তথা অসামৰিক বিমান পৰিৱহনকে ধৰি ৩০ টা মন্ত্ৰালয় আৰু বিভাগৰ এহাজাৰতকৈ বেছি ওজৰ আপত্তি নিষ্পত্তিৰ বাবে গ্ৰহণ কৰা হৈছে। মন্ত্ৰালয়ে জনোৱা মতে যোৱা ১৬ তাৰিখে নিষ্পত্তি নোহোৱা গোচৰসমূহ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হৈ যায়।

০০০০০০০০০

প্ৰধানমন্ত্ৰীৰ সক্ৰিয় প্ৰশাসন আৰু সময় নিৰ্ধাৰিত ৰূপায়ণৰ ধ্বজ্বাবাহী মঞ্চ প্ৰগতিয়ে ইয়াৰ ৫০ সংখ্যক বৈঠকৰ সফল সমাপ্তিৰে গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি স্পৰ্শ কৰিছে। ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভাৰম্ভ কৰা এই প্ৰগতিয়ে প্ৰধানমন্ত্ৰীৰ পোনপটীয়া

নীৰিক্ষণৰ জৰিয়তে গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প গ্ৰহণ আৰু জনসাধাৰণৰ অভিযোগসমূহৰ সময় নিৰ্ধাৰিত সমাধান সম্ভৱ কৰি প্ৰশাসন ব্যৱস্থাক নতুন মাত্ৰা প্ৰদান কৰিছে।

এই মঞ্চখনে একক ডিজিটেল ইন্টাৰফেচৰ জৰিয়তে কেন্দ্ৰ, ৰাজ্য আৰু কেন্দ্ৰীয় মন্ত্ৰালয়সমূহক একেলগ কৰি সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ অনন্য নিদৰ্শন দাঙি ধৰিছে। বিগত এটা দশকত, প্ৰগতিয়ে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া খৰতকীয়া কৰাৰ লগতে, মূল আন্তঃগাঁথনি প্ৰকল্পসমূহৰ বিলম্বৰ কাৰণ হিচাপে বিবেচিত হোৱা সমস্যাসমূহ সমাধান কৰাত আৰু শক্তিশালী দায়বদ্ধ সংস্কৃতি গঢ়ি তোলাত সহায় কৰিছে।

ooooooooo

ভাৰতীয় সেনাই ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ কুছকাৱাজত 'অপাৰেচন সিন্দুৰ' বিষয়ক প্ৰতীকপট প্ৰদৰ্শন কৰিব। এই প্ৰতীকী পটে দেশৰ বিজয়গাঁথাৰ লগতে এই অভিযানৰ সময়ত স্থল, নৌ আৰু বায়ু সেনাৰ একত্ৰিত অভিযানৰ শক্তিক প্ৰদৰ্শন কৰিব।

আজি নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি দিল্লী অঞ্চলৰ দায়িত্বত থকা মেজৰ জেনেৰেল নৱৰাজ ধিলোনে কয় যে ভাৰতীয় সেনাই প্ৰথমবাৰৰ বাবে 'বেটল এৰে ফৰ্মেশ্যন' (Battle Array Formation) প্ৰদৰ্শন কৰিব, য'ত টেংক, ক্ষেপনাস্ত্ৰ ব্যৱস্থা, ড্ৰোন আদিৰে সৈতে সমন্বিত কৌশল দেখুওৱা হব। লেফটেনেন্ট জেনেৰেল ভৱনীশ কুমাৰে চতুৰ্থবাৰৰ বাবে কুচকাৱাজৰ নেতৃত্ব দিব বুলিও তেওঁ জানিবলৈ দিয়ে।

এইবাৰৰ কুচকাৱাজত প্ৰায় ৬ হেজাৰ ৫০ জন সেনা জোৱানে অংশগ্ৰহণ কৰিব। মেজৰ জেনেৰেল ধিলোনে লগতে কয় যে লাডাখ স্কাউটছৰ লগতে ভৈৰৱ বেটেলিয়ান আৰু শক্তিবাণ ৰেজিমেণ্টেও পোনপ্ৰথমবাৰৰ বাবে এই কুচকাৱাজত অংশ ল'ব। তদুপৰি সেনাবাহিনীৰ উট আৰু অশ্বাৰোহী বাহিনীয়েও পোনপ্ৰথমবাৰৰ বাবে গণৰাজ্য দিৱসৰ কুচকাৱাজত ভাগ ল'ব।

এয়াৰ কমোডৰ মনিষ সভৰৱালে প্ৰকাশ কৰা মতে 'অপাৰেচন সিন্দুৰ'ৰ প্ৰতীক পটত এখন Su-30 যুঁজাৰু বিমানৰ পৰা ব্ৰাহ্মছ ক্ষেপনাস্ত্ৰ উৎক্ষেপণ প্ৰদৰ্শন কৰা হ'ব, যিয়ে পাকিস্তানৰ এটা বিমান ঘাটি ধ্বংস কৰিছিল।

ইয়াত S-400 ৰ দৰে আকাশী প্ৰতিৰক্ষা ব্যৱস্থাও প্ৰদৰ্শন কৰা হ'ব, যিয়ে বিশ্বৰ সৰ্বাধিক দূৰত্বৰ পৰা পাকিস্তানৰ বায়ু সেনাৰ এখন বিমান ধ্বংস কৰিছিল। এয়াৰ কমোডৰগৰাকীয়ে কয় যে এই প্ৰদৰ্শনীৰ জৰিয়তে একেলগে যুঁজ দিলে নিশ্চিত বিজয় লাভৰ সংকল্পক পুনৰবাৰ প্ৰতিষ্ঠা কৰা ।

ooooooooo

গোৱাত অহা ২৭ জানুৱাৰীৰ পৰা ৩০ জানুৱাৰীলৈকে ভাৰত শক্তি সপ্তাহৰ চতুৰ্থ সংস্কৰণ আৰম্ভ হ'ব। নতুন দিল্লীত আজি এই কাৰ্যসূচী সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে কয় যে বছৰটোৰ প্ৰথমখন গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় শক্তি সন্দৰ্ভত এই অনুষ্ঠানত ৭৫ হাজাৰতকৈও অধিক প্ৰতিনিধিয়েও ভাগ লোৱাৰ সম্ভাৱনা আছে। তেওঁ কয় যে কানাডা, আৰব আমেৰি ৰাষ্ট্ৰ, চুডান, জিম্বাবুৱে, ট্ৰিনিডাত, টোবাগো, ওমান আৰু ব্ৰুনেইকে ধৰি ১৭ খন ৰাষ্ট্ৰৰ মন্ত্ৰী আৰু উপ-মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব।

ooooooooo

ছত্রিচগড়ৰ ধামদাৰী জিলাত আজি ৯ জন মাওবাদীয়ে আত্মসমৰ্পণ কৰে। এই সকলৰ ৭ গৰাকী মহিলা। তেওঁলোকক কৰায়ত্ত কৰিব পাৰিলে ৪৭ লাখ টকাৰ ধনৰাসী পুৰস্কাৰ দিয়া হ'ব বুলি ঘোষণা কৰা হৈছিল। মাওবাদীসকলে আজি ৰায়পুৰ ৰেঞ্জৰ আৰক্ষী মহা পৰিদৰ্শক অমৰেচ মিশ্ৰা আৰু ধামদাৰী জিলাৰ আৰক্ষী অধিক্ষক সুৰজ সিং পৰিহাৰৰ ওচৰত আত্মসমৰ্পণ কৰে। তেওঁলোকে বহু অস্ত্ৰ-শস্ত্ৰ সম্বৰণ কৰে। আৰক্ষী সুত্ৰই জনোৱা মতে এই মাওবাদীসকলে বহু দিন ধৰি ৰাজ্যখনৰ চিতা নদী অঞ্চলৰ লগতে নাগ্ৰী, মইনপুৰ আৰু গোব্ৰা অঞ্চলত সন্ত্ৰাস চলাই আহিছিল।

ooooooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত আৰম্ভ হৈছে। ভাৰতে টছত জিকি প্ৰথমে নিউজিলেণ্ডক বেটিং কৰাৰ বাবে আমন্ত্ৰণ জনায়। এই বাতৰি যুগুতোৱাৰ পৰলৈকে নিউজিলেণ্ডে ৩ অভাৰত ৪৩ ৰাণ কৰি খেলি আছে। ভাৰতৰ মূল দলটোত যশপ্ৰীত বুমৰা আৰু অক্ষৰ পেটেলৰ ঠাইত কুলদ্বীপ যাদৱ আৰু হৰ্ষিত ৰাণাক অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰত নাগপুৰত অনুষ্ঠিত প্ৰথমখন খেলত জয়লাভ কৰি শৃংখলাত সম্প্ৰতি ১-০ত আগবাঢ়ি আছে।

ooooooo

ভাৰতৰ বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু আৰু লক্ষ্য সেনে একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হোৱাৰ পাছতে ইণ্ডোনেছিয়া মাষ্টাৰ্চ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় খেলুৱৈৰ যাত্ৰাৰ অন্ত পৰিছে। দুবাৰ অলিম্পিক পদক বিজেতা পি ভি সিন্ধুৱে বিশ্বৰ ৪ নম্বৰ স্থানৰ খেলুৱৈ চীনৰ চেন ইউ ফেইৰ হাতত ১৩-২১, ১৭-২১ ফলাফলত পৰাস্ত হয়। ইপিনে, পুৰুষৰ চিংগলছত লক্ষ্য সেন থাইলেণ্ডৰ পনিত্চাফন টিৰাৰাট্চাকুলৰ হাতত পৰাস্ত হয়। ৪৬ মিনিট ধৰি চলা খেলখনত লক্ষ্য, থাইলেণ্ডৰ প্ৰতিদ্বন্দীৰ হাতত ১৮-২১, ২০-২২ ফলাফলত পৰাস্ত হয়। ইয়াৰ পূৰ্বে ভাৰতৰ কিদাম্বি শ্ৰীকান্ত আৰু অনমোল খড়বে পুৰুষ আৰু মহিলাৰ চিংগল খেলত পৰাস্ত হৈছিল।

ooooooooo

সেনা বাহিনীৰ মুৰব্বী অনিল চৌহানে নেতাজী সুভাস চন্দ্ৰ বসুৱে ৰাজনৈতিক দূৰদৰ্শিতা, কূটনীতি আৰু সামৰিক অভিযানৰ মাজত উতপ্ৰোত সম্পৰ্কক প্ৰদৰ্শন কৰিছিল বুলি উল্লেখ কৰিছে। নেতাজী সুভাস চন্দ্ৰ বসুৰ ১২৯ সংখ্যক জয়ন্তী উপলক্ষ্যে আজি জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলক সম্বোধন কৰি কয় যে আজিও দেশে বহু কেন্দ্ৰিক অস্থিৰ আৰু অনিশ্চিত গোলকীয় বিশৃংখলতাৰ মাজেৰে গতি কৰাৰ সময়ত নেতাজীৰ দৃঢ় কৃটনীতি আৰু কৌশলগত বাস্তববাদৰ নীতি আগতকৈ অধিক প্ৰাসংগিক হৈ পৰিছে। তেওঁ কয় যে ভাৰতীয় জাতীয় সেনা বাহিনী আছিল একতকা আৰু বৈচিত্ৰৰ প্ৰকাশ কিয়নো ইয়াৰ সংগঠন অঞ্চল জাতি, ধৰ্ম, আৰু লিংগৰ উৰ্ধত আছিল। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ধাৰণাতো আলোকপাত কৰি তেওঁ কয় যে ই জাতি-ৰাষ্ট্ৰ গঠনৰ তিনিটা উপাদান ভূমি, জনসাধাৰণ আৰু আদৰ্শক সুৰক্ষিত কৰাৰ সৈতে জড়িত। জেনেৰেল চৌহানে লগতে কয় যে অপাৰেচন সিন্দুৰৰ পাছত তিনিওটা বাহিনীয়ে এনে এটা পৰিকাঠামো নিৰ্মাণৰ হকে কাম কৰি আছে যি ভৱিষ্যতৰ যুদ্ধ শৈলী বিকাশৰ ক্ষেত্ৰত সহায় কৰিব।

ooooooooo

সমাপ্ত